# অধ্যায় ২ ঃ পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ চমু পৰিচয়

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ পৃথিৱীৰ ভাষা-পৰিয়াল
২.৩.১ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী
২.৩.২ ছেমীয়-হেমীয় ভাষাগোষ্ঠী
২.৩.৩ তিব্বত-চীনীয় ভাষাগোষ্ঠী
২.৩.৪ অষ্ট্রিক ভাষাগোষ্ঠী
২.৩.৫ দ্রাবিড় ভাষাগোষ্ঠী
২.৩.৬ ইউৰাল-আলটাই ভাষাগোষ্ঠী
২.৩.৭ ককেছীয় ভাষাগোষ্ঠী
২.৩.৮ এস্কিমো
২.৪ গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ আৰ্হি প্রশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ভাষা-পৰিয়াল মানেনো কি, এই ভাষা-পৰিয়ালবোৰ কি কি —এই সম্পৰ্কে জানিব পাৰিব
- প্রতিটো ভাষা-পৰিয়ালৰ সাধাৰণ পৰিচয় লাভ কৰিব
- গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা সম্পৰ্কে সম্যক ধাৰণা আহৰণ কৰিব।

## ২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ভাষাৰ বৰ্গীকৰণ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰাৰ লগতে কেনেদৰে ভাষাৰ বৰ্গীকৰণ কৰা হয় সেই বিষয়ে অৱগত হ'ল। তদুপৰি দ্বিতীয় ষাণ্মাসিকৰ পাঠ্যবিষয়তে আপুনি অধ্যয়ন কৰি আহিছে যে সমগ্র পৃথিৱীত প্রচলিত ভিন ভিন ভাষাসমূহক

বিভিন্ন বৈশিষ্ট্যৰ আধাৰত কেইবাটাও ভাষাগোষ্ঠীত বিভাজন কৰি আলোচনা কৰা হৈছে। পৃথিৱীৰ ভাষাসমূহক যিকেইটা প্ৰধান ভাষাগোষ্ঠী বা ভাষা পৰিয়ালত ভাগ কৰা হৈছে সেইকেইটাৰ ভিতৰত সৰ্ববৃহৎ ভাষাগোষ্ঠীটো হ'ল 'ইণ্ডো ইউৰোপীয় ভাষাগোষ্ঠী'।

এই অধ্যায়টিত আপুনি পৃথিৱী জুৰি থকা বিভিন্ন ভাষাৰ মূল কি বা সেই ভাষাসমূহ কি ভাষাগোষ্ঠীৰ অন্তৰ্গত— সেই বিষয়ে আভাস লাভ কৰিব। বিভিন্ন ভাষাৰ পৰিচয় লাভ কৰি আপুনি উপকৃত হোৱাৰ লগতে পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ বৈশিষ্ট্যপূৰ্ণ দিশৰ লগতো অধ্যায়টিৰ জৰিয়তে পৰিচিত হ'ব পাৰিব।

## ২.৩ পৃথিৱীৰ ভাষা-পৰিয়াল

পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি থকা মানুহৰ মাজত বিভিন্ন ভাষাৰ প্ৰচলন আছে। এই ভাষাবোৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ। কিন্তু ভাষা বৰ্গীকৰণৰ বিবিধ ধাৰাৰ আধাৰেৰে বিশ্লেষণ কৰিলে দেখা যায় যে এনে দুটা বা ততোধিক ভাষাৰ মূল একেটাই। পৃথিৱীৰ ভাষাসমূহৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে ভাষাবিজ্ঞানীসকলে বিভিন্ন পদ্ধতি আৰু বৌদ্ধিক কৌশলৰ ব্যৱহাৰ কৰি আহিছে। এনে প্ৰচেষ্টাৰ ফলতে ভাষা-পৰিয়াল (Language Family) ধাৰণাৰ বিকাশ হয়। অৰ্থাৎ— ধ্বনিগত, ৰূপগত, শব্দগত, বাক্য গঠনগত আদি বিভিন্ন দিশত মিল থকা ভাষাবোৰৰ ঐতিহাসিক অধ্যয়নৰ দ্বাৰা সেই ভাষাবোৰৰ মূল যদি একেটাই বুলি প্ৰতিপন্ন কৰিব পাৰি, তেন্তে সেই ভাষাসমূহক এটা গোট বা পৰিয়াল হিচাপে ধৰা হয়। পৃথিৱীৰ প্ৰায় চাৰি হাজাৰ ভাষাক এনেদৰে মুঠ ৮টা ভাগত ভাগ কৰা হৈছে। এই ভাষা পৰিয়াল কেইটা হ'ল—

ক) ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়াল (Indo-European)
খ) ছেমীয়-হেমীয় (Semetic Hamitic)
গ) চীন-তিব্বতীয় (Sina-Tibetan)
ঘ) অষ্ট্ৰিক (Austric)
ঙ) দ্ৰাবিড় (Dravidian)
চ) ইউৰাল-আলটাই (Ural-Altaie)
ছ) ককেছীয় (Caucasian)
জ) এস্কিমো (Eskimo)

ওপৰত উল্লেখ কৰা এই সমূহেই হৈছে পৃথিৱীৰ প্ৰধান ভাষা-পৰিয়াল। তাৰ উপৰি আমেৰিকা, অষ্ট্ৰেলিয়া, আফ্ৰিকা, এছিয়াৰ উত্তৰ-পূব সীমান্তত কিছুমান ভাষা আছে যিবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ নাই। এই ভাষাবোৰৰ মাজত যথেষ্ট বৈচিত্ৰ্য থকা বাবে কোনো নিৰ্দিষ্ট গোষ্ঠীৰ মাজত সেইবোৰ অন্তৰ্ভুক্ত কৰিব পৰা নাযায়। কেৱল ভৌগোলিক অৱস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি এই ভাষাসমূহক এনেদৰে বিভক্ত কৰা হৈছে—

ক) আমেৰিকাৰ আদিম ভাষাবৰ্গ (American Group of Languages)

খ) আফ্রিকাৰ আদিম ভাষাবৰ্গ (African Languages)

গ) অষ্ট্রেলিয়াৰ আদিম ভাষাবৰ্গ (Australian Languages)

ঘ) উত্তৰ-পূব সীমান্তীয় ভাষা (Palaco-Asiatic or Hyperborean)

কোনো কোনো ভাষাতত্ত্ববিদে এইবোৰৰ উপৰি আন কেইটামান ভাষাগোষ্ঠীৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল— (ক) কোৰীয়া-জাপানী (Korean and Japanese), (খ) আইবেৰীয়-বাস্ক (Ibero-Basque), (গ) আন্দামানী (Andamanese), (ঘ) পাপুয়ান (Papuan), (ঙ) তাস্মানীয় (Tasmanian), (চ) সুদানী-গিনীয় (Sudano-Guinean), (ছ) বুশম্যান-হটেন্টট্ (Bushman-Hottentot), (জ) বুৰুশাস্কী (Burushaski), (ঝ) লা-তি (La-Ti) আদি।

## ২.৩.১ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী

পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ মাজত প্ৰথমেই উল্লেখযোগ্য পৰিয়াল হ'ল — ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী। কাৰণ এই বংশৰ ভাষাৰ প্ৰাচীন সাহিত্য (সংস্কৃত, গ্রীক, লেটিন) অতি সমৃদ্ধ। এই বংশৰ পৰা উদ্ভৱ হোৱা বহুসংখ্যক আধুনিক ভাষাৰ (ইংৰাজী, জাৰ্মান, ফৰাচী, ইটালীয়, বাংলা, হিন্দী আদি) সাহিত্যিক তথা বৈজ্ঞানিক সমৃদ্ধি অতি বিস্ময়কৰ। লগতে এই পৰিয়ালৰ ভাষা-ভাষী জনগোষ্ঠীৰ বহুসংখ্যকে ৰাজনৈতিক তথা অৰ্থনৈতিক প্ৰতিপত্তি লাভ কৰিছে। এইবোৰ কাৰণতে ইণ্ডো-ইউৰোপীয় পৰিয়ালটি পৃথিৱীৰ আনবোৰ ভাষা-পৰিয়ালতকৈ গুৰুত্বপূৰ্ণ। ভাৰতবৰ্ষত প্ৰচলিত বহু ভাষাই এই ভাষা পৰিয়ালটোৰ অন্তৰ্ভুক্ত। ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ বিষয়ে দ্বিতীয় যাণ্মাসিকতে আপুনি বহলাই অধ্যয়ন কৰি আহিছে বাবে ইয়াত বহলাই আলোচনা কৰা নহ'ল। এই অধ্যায়টোৰ বাবেও আপুনি দ্বিতীয় যাণ্মাসিকৰ পাঠ্যবিষয়খন অধ্যয়ন কৰাটো বাধ্যতামূলক।



**চিন্তা-চৰ্চা কৰক — ২.১**

ভাৰতত প্ৰচলিত ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষাকেইটাৰ পৰিচয় দিয়ক।

..............................................................................................

..............................................................................................

..............................................................................................


## ২.৩.২ ছেমীয়-হামীয় ভাষাগোষ্ঠী

ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ পিছতেই উল্লেখনীয় ভাষাগোষ্ঠী হ'ল ছেমীয়-

হামীয় ভাষাগোষ্ঠী। এই ভাষাগোষ্ঠীৰ ভাষাসমূহ এছিয়া আৰু আফ্ৰিকাৰ বিশাল অঞ্চলত প্ৰচলিত। ছেমীয়-হামীয় দুটা ভিন্ন ভাষাগোষ্ঠী যদিও দুইটাৰ মাজত পাৰ্থক্যতকৈ সাদৃশ্যৰ পৰিমাণ সৰহ বাবে দুইটাকে ভাষাবিদসকলে এটা ভাষাগোষ্ঠী হিচাপে বিবেচনা কৰে।

ছেমীয় শাখাক প্ৰধানতঃ পূৰ্বী আৰু পশ্চিমা এই দুটা উপশাখাত ভাগ কৰা হৈছে। পূৰ্বী শাখাৰ ভাষাসমূহ হ'ল— বেবিলোনীয় (Babylonian), আক্কাডীয় (Akkadian), আচ্ছিৰীয় (Assyrian)। কিন্তু এই ভাষাসমূহ বিলুপ্ত।

**চিত্ৰ ২.১ — ছেমীয়-হামীয় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখা**




পশ্চিমা উপশাখাৰ ভাষাসমূহৰ ভিতৰত কানানীয় (Canaanite), আৰামীয় (Aramic), আৰবী (Arabic) আৰু আবিছিনীয় (Abyssinian) প্ৰধান। এই পশ্চিমা উপশাখাৰ পৰা বিকাশ লাভ কৰা ভাষাসমূহেই ছেমীয় শাখাৰ প্ৰধান ভাষা। আৰবী (Arabic) ছেমীয় শাখাৰ সৰ্বশ্ৰেষ্ঠ ভাষা। ইছলাম ধৰ্মৰ বাহক আৰবী ভাষা সপ্তম শতিকাৰ পৰা ইউৰোপ, আফ্ৰিকা আৰু এছিয়াৰ বিভিন্ন ঠাইত বিয়পি পৰিছিল। কোৰাণৰ ভাষাই এই ভাষাৰ নিদৰ্শন দাঙি ধৰে।

হামীয় শাখাৰ অন্যতম প্ৰাচীন মিছৰীয় ভাষাৰ সৰ্বপ্ৰাচীন নিদৰ্শন খ্ৰীষ্টপূৰ্ব চাৰি হাজাৰৰ প্ৰত্নলেখৰ মাজত পোৱা গৈছে। কিন্তু এই ভাষা ৰোমান তথা আৰবসকলৰ আক্ৰমণত বিলুপ্ত হৈ পৰে। হামীয় শাখাৰ আন দুটা উপশাখা হ'ল— লিবিকো বেৰবেৰ (Libyco-Berber) আৰু কুশ্বীয় (Kushite)। লিবিকো বেৰবেৰৰ পৰা বিকাশ লাভ

কৰা কাবিলে (Kabyle), শ্বিল্হা (Shilha), টুৱাৰেগ (Tuareg) আদি ভাষাসমূহ উত্তৰ আফ্ৰিকাৰ লিবিয়া, মৰক্কো, ছাহাৰা কানাৰী আদিত প্ৰচলিত আছে। কুশ্বীয়ৰ পৰা বিকাশ লাভ কৰা ভাষা গাল্লা (Galla), ছোমালী (Somali), ছাহো (Saho), বডৌৱে (Badauye) আদি ইথিওপিয়া, ছোমালিলেণ্ড আদিত প্ৰচলন হৈ আছে।

## ২.৩.৩ তিব্বত-চীনীয় বা চীন-তিব্বতীয় ভাষাগোষ্ঠী

পৃথিৱীৰ এটি অন্যতম বৃহৎ ভাষাগোষ্ঠী তিব্বত-চীনীয় বা চীন-তিব্বতীয় পূব আৰু দক্ষিণ-পূব এছিয়াৰ বিশাল ভূখণ্ডত প্ৰচলিত। এই ভাষাগোষ্ঠীৰ লোকসকলৰ আদিম বাসস্থান চীনদেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ য়াংছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তি স্থলত আছিল বুলি অনুমান কৰা হয়। তাৰ পৰাই এফালে চীনদেশ আৰু আনফালে ভাৰতবৰ্ষ, ব্ৰহ্মদেশ, শ্যামদেশ আদিত বিয়পি পৰে। জাতিগত দৃষ্টিকোণৰ পৰা চীন-তিব্বতীয় ভাষা কোৱা লোকসকল মংগোলীয়। এই ভাষাগোষ্ঠীক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি— ক) তিব্বত-বৰ্মী আৰু খ) শ্যাম-চীনীয় বা থাই-চীনীয়।

➢ *তিব্বত-বৰ্মী ঃ* এই শাখাটোক আকৌ চাৰিটা প্ৰধান উপশাখাত ভাগ কৰিব পাৰি— হিমালয়ী, উত্তৰ-অসম, অসম-বৰ্মী আৰু তিব্বতী। হিমালয়ৰ দাঁতিকাষৰ নেপাল, ভূটান, চিকিম আদি ঠাইত হিমালয়ী উপশাখাৰ ভাষা, যেনে— নেৱাৰী, ৰংগ বা লেপ্‌ছা, কানৌৰী, মাগাৰ আদি প্ৰচলিত হৈ আছে।

উত্তৰ অসম উপশাখাৰ অন্তৰ্গত আদি বা আবৰ, মিছিং, অকা, ডফলা, মিছিমি আদি জনগোষ্ঠীৰ ভাষাসমূহ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া ঠাইত প্ৰচলিত।

অসম-বৰ্মী উপশাখাৰ ভাষাক বড়ো-নগা, কুকিছীন আৰু বৰ্মী— এই তিনিটা ভাগত ভগাব পাৰি। বড়ো-নগা দুটা উপশাখাৰ সমষ্টি— বড়ো আৰু নগা। বড়ো উপশাখাৰ বিভিন্ন ভাষাবোৰ হ'ল— বড়ো, ডিমাছা, গাৰো, ৰাভা, চুটিয়া, লালুং, হাজং আদি। সেইদৰে নগা উপশাখাৰ ভাষাবোৰ হ'ল— নগা, বড়ো, পশ্চিম-নগা, মধ্য-নগা, পূব-নগা, নগা-কুকি আদি। কুকী-চীনৰ প্ৰধানকৈ দুটা শাখা— মেইথেই আৰু মিজো। বৰ্মী উপশাখাৰ বহুতো উপভাষা আছে যদিও ব্ৰহ্মদেশত প্ৰচলিত বৰ্মীয় (Burmese) ভাষাই প্ৰধান।

তিব্বতী উপশাখাৰ ভাষাসমূহ তিব্বত আৰু পশ্চিম হিমালয় অঞ্চলত প্ৰচলিত আছে। এই উপশাখাৰ ভাষাৰ ভিতৰত তিব্বতত প্ৰচলিত 'তিব্বতী' বিশেষভাৱে উল্লেখযোগ্য। ভাৰতৰ পশ্চিম-হিমালয় অঞ্চলৰ লাদাখ, বাল্টিস্থান আদিত তিব্বতী উপশাখাৰ ভাষা 'লাদাখী' আৰু 'বাল্টী' প্ৰচলিত আছে।

➢ *শ্যাম-চীনীয় বা থাই-চীনীয় ঃ* তিব্বত-চীনীয় ভাষাগোষ্ঠীৰ আন এটা প্ৰধান শাখা

শ্যাম-চীনীয় বা থাই-চীনীয়ৰ দুটা উপশাখা হ'ল— টাই বা থাই আৰু চীনীয়।

টাই উপশাখাৰ অন্তৰ্গত শ্যামী বা ছিয়ামী বা থাই, লাও, লু, খুন, মিআও, য়াও, শ্বান, আহোম, খামতি, টুৰুং, ফাকিয়াল আদি ভাষা চীনদেশৰ দক্ষিণ অংশ, থাইলেণ্ড, ব্ৰহ্মদেশ, ভাৰতৰ পূব প্ৰান্ত, ছালুইন নৈৰ উপত্যকা অঞ্চল আদি ঠাইত প্ৰচলিত। অৱশ্যে ইয়াৰ কেইটামান ভাষাৰ অস্তিত্ব বৰ্তমান নাই।

টাই ভাষাৰ ভিতৰত থাইলেণ্ডত প্ৰচলিত থাই বা শ্যাম ভাষাত টাই ভাষাৰ বহু বৈশিষ্ট্য ৰক্ষিত হৈছে বাবে ই উল্লেখ্যযোগ্য টাই ভাষা। থাই ভাষাৰ প্ৰাচীন নিদৰ্শন খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাত পোৱা হৈছে আৰু তেতিয়াৰ পৰা এই ভাষাৰ ধাৰাবাহিক সাহিত্যৰ ইতিহাস আছে। তাৰ উপৰি থাইলেণ্ডৰ উত্তৰ-পূব অঞ্চল আৰু ছালুইন নৈৰ উপত্যকাৰ টাইসকলৰ মাজত সৰু-সুৰা টাই ভাষাৰ প্ৰচলন আছে। টাইসকলৰ কিছু সংখ্যক ফৈদে ভাৰতবৰ্ষৰ উত্তৰ-পূব কোণেদি সোমাই অসমত 'আহোম' নামেৰে জনাজাত হৈ থিতাপি লয়। খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাৰ আদিভাগত আহোমসকলে ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু ঊনবিংশ শতিকালৈ ৰাজপাট চলায়। এই টাই-আহোম ভাষাগোষ্ঠীয়ে অসমত বসবাস কৰিবলৈ লৈ নিজৰ ভাষা-সংস্কৃতিক পৰিহাৰ কৰি অসমৰ থলুৱা ভাষা-সংস্কৃতি গ্ৰহণ কৰে। ফলত টাই-আহোম ভাষাও লুপ্ত হৈ পৰে। বৰ্তমান বাইলুং, মহন আদি পুৰোহিত শ্ৰেণীয়ে ধৰ্মীয় কাম-কাজত এই ভাষাটো ব্যৱহাৰ কৰে।

টাই গোষ্ঠীৰ আন এটা উপশাখা হ'ল টাই ফাকে বা ফাকিয়াল। এই গোষ্ঠীটোৱে অষ্টাদশ শতিকাৰ শেষভাগত অসমত প্ৰৱেশ কৰি পূব অংশত বসবাস কৰিবলৈ লয়। এওঁলোকৰ মাজত ভাষাটোৰ প্ৰচলন বৰ্তমানেও আছে।

টাই-খামতিসকল অষ্টাদশ শতিকাত উত্তৰ-ব্ৰহ্মদেশৰ ইৰাৱতী নৈৰ উপত্যকাৰ পৰা আহি অসমত সোমাই বুলি অনুমান কৰা হৈছে। অসমৰ পূব অঞ্চল আৰু অৰুণাচলৰ লোহিত জিলাৰ খামতিসকলৰ মাজত নিজা টাই ভাষাৰ প্ৰচলন আছে। বৌদ্ধ ধৰ্মাৱলম্বী খামতিসকলে টাই-খামতি ভাষাত বৌদ্ধ গ্ৰন্থ আৰু বুৰঞ্জী ৰচনা কৰিছে।

টাই-তুৰুং টাই গোষ্ঠীৰ আন এটা শাখা। এই ভাষা কোৱা লোকসকল উনবিংশ শতিকাৰ আগভাগত ব্ৰহ্মদেশৰ নাম-তুৰুং নৈৰ উপত্যকাৰ পৰা অসমলৈ আহি গোলাঘাট মহকুমাত বাস কৰিবলৈ লয়।

টাই-আইতন বা আইতনিয়াসকলো ঊনবিংশ শতিকাৰ প্ৰথম ভাগতে ব্ৰহ্মদেশৰ নাম-তায়ুক নদীৰ উপত্যকাৰ পৰা অসমলৈ আহে। এওঁলোক গোলাঘাট মহকুমাত বসবাস কৰি আছে।

টাই গোষ্ঠীৰ অন্তৰ্গত টাই-খাময়াঙৰ দুটা ফৈদ— নৰা আৰু খামজঙিয়া। কিন্তু বৰ্তমান দুয়োটাৰে ভাষা একে। ব্ৰহ্মদেশৰ মুংকুং ৰাজ্যৰ পৰা নৰাসকল ত্ৰয়োদশ

শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে প্ৰব্ৰজন হৈ থাকে। আকৌ খামজঙিয়াসকল অষ্টাদশ শতিকাৰ মাজভাগত অসমলৈ আহে । যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, অৰুণাচলৰ লোহিত জিলা আদিত টাই-খাময়াং ভাষীলোকে বসবাস কৰি আছে। অৱশ্যে অসমীয়া ভাষাই প্ৰাধান্য লাভ কৰাত নিজ ভাষাৰ ব্যৱহাৰ কমি আহিছে।

চীনীয় উপশাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত চীনদেশৰ চীনা (Chinese) ভাষাই প্ৰধান। এই ভাষাৰ নিদৰ্শন খ্ৰীষ্টপূৰ্ব দুহেজাৰ বছৰৰ পূৰ্বৰ প্ৰত্নলিপিৰ মাজত পোৱা গৈছে। 'ৱু', 'মিন', 'কেন্তোনীয়', 'ফুচু' আদি চীনীয়ৰ উপভাষা। চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ ৰেখাচিত্ৰৰ সহায়ত দেখুওৱা হ'ল—

**চিত্ৰ ২.২ — তিব্বত-চীনীয় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ**

- তিব্বত-চীনীয় ভাষাগোষ্ঠী
  - তিব্বত-বৰ্মী
    - হিমালয়ী — নেৱাৰি, ৰংগ, কানৌৰী, লাহুলী, কিৰান্তি, ধিমাল, মাগাৰ আদি
    - উত্তৰ-অসম — অকা, ডফলা, আৰব, মিছিং, মিছিমি আদি
    - অসম-বৰ্মী — কাৰ্বি, বড়ো-নগা, কুকি-চীন
    - তিব্বতী — তিব্বতী, লাদাখী, বাল্টী আদি
  - থাই-চীনীয়
    - টাই — থাই, লাও, লু, খুন, য়াও, মিআও, খামতি, শ্বান, টুৰুং, ফাকিয়াল, আইতনিয়া আদি
    - চীনীয়
    - কৰেণ
    - চি-লো-নো



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** ছেমীয়-হামীয় ভাষাগোষ্ঠীৰ ভাষাসমূহ মূলতঃ কোন কোন অঞ্চলত প্ৰচলিত?

.................................................................................

.................................................................................................................

**প্ৰশ্ন নং ২ ঃ** টাই গোষ্ঠীৰ অন্তৰ্গত টাই-খাময়াঙৰ ফৈদ দুটাৰ নাম লিখক।

.................................................................................................................

## ২.৩.৪ অষ্ট্ৰিক ভাষাগোষ্ঠী

পৃথিৱীৰ বিভিন্ন ভাষা-গোষ্ঠীৰ ভিতৰত অষ্ট্ৰিক অন্যতম ভাষাগোষ্ঠী। অষ্ট্ৰিক ভাষাগোষ্ঠীৰ ভাষা পৃথিৱীৰ বিস্তৃত অঞ্চলত প্ৰচলিত। ভাৰত, ব্ৰহ্মদেশ, ইণ্ডোনেছিয়া,

ফিজি, হাৱাই, টাহিটি আদি ঠাইত এই ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষা পৰিব্যাপ্ত।

ভাৰতলৈ অষ্ট্ৰিকসকলৰ আগমন সম্পৰ্কে স্পষ্টকৈ একো ক'ব নোৱাৰি যদিও খ্ৰীষ্টপূৰ্ব আঢ়ৈ হেজাৰ মান বছৰৰ আগতে এই ভাষাগোষ্ঠীৰ বিভিন্ন ফৈদৰ প্ৰৱেশ ঘটে। অষ্ট্ৰিকসকলৰ আদিম বাসস্থান সম্পৰ্কে বিভিন্ন পণ্ডিতে ভিন ভিন মত দিছে। কিছুমানৰ মতে তেওঁলোক উত্তৰ ইণ্ডোনেছিয়াৰ লোক আছিল। আন কিছুমানৰ মতে তেওঁলোকৰ আদিম বাসস্থান পশ্চিম এছিয়াত আছিল আৰু তাৰ পৰাই পৃথিৱীৰ বিভিন্ন ঠাইলৈ প্ৰসাৰিত হৈ পৰে। কিন্তু প্ৰকৃততে তেওঁলোক পূব ফালেদিহে ভাৰতত প্ৰৱেশ কৰে। অষ্ট্ৰিক ভাষাগোষ্ঠীক দুটা প্ৰধান শাখাত ভাগ কৰিব পাৰি—

- অষ্ট্ৰ'-এছীয় (Austro-Asiatic)
- অষ্ট্ৰ'নেছীয় (Austronesian)

- *অষ্ট্ৰ'-এছীয় ঃ* এই শাখাক দুটা উপশাখাত ভাগ কৰিব পাৰি। কোল বা মুণ্ডা (Kol or Munda) আৰু মোন-খোমেৰ (Monkhomer)। কোল বা মুণ্ডা উপশাখাৰ অন্তৰ্গত ভাষাসমূহ হ'ল— চাওতালী, মুণ্ডাৰী, ভূমিজ, হো, খৰীয়া, শবৰ, কুৰ্কু আদি। এই ভাষাসমূহ প্ৰধানকৈ ভাৰতবৰ্ষৰ পশ্চিমবংগ, উৰিষ্যা, মধ্যপ্ৰদেশ আদিত প্ৰচলিত। অসমলৈ চাহ উদ্যোগত শ্ৰমিক হিচাপে ব্ৰিটিছসকলে অনা অধিকাংশ শ্ৰমিকেই কোল উপশাখাৰ বিভিন্ন ভাষা কোৱা লোক আছিল। এইসকল লোকে অসমীয়া ভাষা-সংস্কৃতিকেই আকোঁৱালি লৈছে। অৱশ্যে তাৰ মাজতেই নিজৰ ভাষাকো জীয়াই ৰাখিছে।

  মোন-খোমেৰ উপশাখাৰ ভাষাসমূহৰ ভিতৰত নিকোবৰ দ্বীপপুঞ্জৰ নিকোবৰী ভাষা, মেঘালয় ৰাজ্যৰ খাছী আৰু জয়ন্তীয়া বা ছিণ্টেং ভাষা, দক্ষিণ ব্ৰহ্মদেশ আৰু শ্যামদেশৰ মোন বা টাইলুং, উত্তৰ-ব্ৰহ্মদেশৰ পঙ্গি-জেন আৰু ৱা, কম্বোজৰ খমেৰ, ইণ্ডোনেছিয়াৰ স্তিয়েং আৰু বাহনাৰ, মালয়ৰ ছাকায় উল্লেখযোগ্য। মোন ভাষাৰ নিদৰ্শন একাদশ শতিকাৰ শিলালিপিৰ মাজত পোৱা হৈছে আৰু খোমেৰৰ নিদৰ্শন সপ্তম শতিকাৰ শিলালিপিৰ মাজত পোৱা গৈছে।


- *অষ্ট্ৰ'নেছীয় শাখা ঃ* অষ্ট্ৰ'নেছীয়ৰ অন্তৰ্গত ইণ্ডোনেছীয়, মেলানেচীয়, পলিনেছীয়, মেক্ৰোনেছীয় আদি ভাষাসমূহ মালয় দ্বীপপুঞ্জ, ফিলিপাইন দ্বীপপুঞ্জ, মাদাগাস্কাৰ, ফিজি, নিউজিলেণ্ড, ছামোৱা, টোংগা, হাৱাই প্ৰভৃতি ঠাইত প্ৰচলিত আছে।

  ইণ্ডোনেছীয় উপশাখাৰ ভাষাবোৰৰ ভিতৰত মালগাছী, মালয়, যৱদ্বীপীয়, টগ্‌লা ভাষা প্ৰধান। মালয় আৰু সুমাত্ৰাত কোৱা উপভাষাক কেন্দ্ৰ কৰিয়ে ইণ্ডোনেছীয়াৰ ৰাষ্ট্ৰভাষা "Bhasa Indonesia" গঢ়ি উঠিছে। ত্ৰয়োদশ শতিকাত মালয়ীসকলে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ ফলত আৰবী লিপি ব্যৱহাৰ কৰিছিল। কিন্তু পিছলৈ ৰোমান লিপিৰ প্ৰচলন হয়। টগলা ভাষা ফিলিপাইন, ফৰমেছা আদি ঠাইত প্ৰচলিত, যৱদ্বীপত প্ৰচলিত যৱদ্বীপীয় ভাষা সাহিত্য-সম্পদেৰে সমৃদ্ধিশালী ভাষা।

এই ভাষাৰ সাহিত্যক ভাৰতীয় সাহিত্যই বিশেষভাৱে প্ৰভাৱিত কৰি আছে। মেলানেছীয় উপশাখাৰ ভাষাসমূহ পাপুৱা আৰু নিউজিলেণ্ডৰ মাজৰ দ্বীপপুঞ্জত প্ৰচলিত। পলিনেচীয় উপশাখাৰ ভিতৰুৱা ছামোৱা, টোংগা, মাওৰী, টাহিটীয় আদি অন্যতম ভাষা। মেক্ৰোনেছীয় উপশাখাৰ অন্তৰ্গত ভাষাসমূহ ফিজিকে ধৰি বিভিন্ন সৰু সৰু দ্বীপত প্ৰচলিত আছে।

অষ্ট্ৰিক ভাষাগোষ্ঠীৰ ভাষাসমূহৰ পাৰস্পৰিক সম্বন্ধ তলত দিয়া ধৰণেৰে দেখুৱাব পাৰি—

**চিত্ৰ ২.৩ — অষ্ট্ৰিক ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ**




## ২.৩.৫ দ্ৰাবিড় ভাষাগোষ্ঠী

পৃথিৱীৰ ভাষা-গোষ্ঠীসমূহৰ ভিতৰত দ্ৰাবিড় ভাষাগোষ্ঠীও অন্যতম। এই ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষাসমূহৰ কেন্দ্ৰভূমি হ'ল ভাৰতবৰ্ষৰ দক্ষিণাংশ। তাৰ বাহিৰেও পাকিস্তানৰ অন্তৰ্গত বেলুচিস্থানৰ পাৰ্বত্য অঞ্চলত আৰু শ্ৰীলংকাৰ উত্তৰাংশত এই গোষ্ঠীৰ দুই-এটা ভাষাৰ প্ৰচলন আছে।

দ্ৰাবিড়সকল খ্ৰীষ্টপূৰ্ব ৩০০০-৩৫০০ বছৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰিছিল বুলি পণ্ডিতসকল নিশ্চিত। তেওঁলোকৰ বহু পিছতহে আৰ্যসকল ভাৰতলৈ আহিছিল। এই ভাষা-পৰিয়াল সম্পৰ্কত বিভিন্ন পণ্ডিতে ভিন্ন মত দিছে। বিখ্যাত ভাষাবিদ পাটেৰ স্মিডটে অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গৰ লগত দ্ৰাবিড় ভাষাৰ সম্বন্ধৰ কথা উল্লেখ কৰিছে আৰু অষ্ট্ৰেলিয়াৰ পৰাই দ্ৰাবিড়সকল ভাৰতলৈ আহিছিল বুলি অনুমান কৰিছে। ৰবাৰ্ট কডৱেলে ইউৰাল-আলটাই ভাষা-পৰিয়ালৰ লগত দ্ৰাবিড় ভাষাৰ সম্পৰ্ক থকা বুলি উল্লেখ কৰিছে। আকৌ কোনো কোনো ভাষাবিদে ফিন্নো-উগ্ৰীয়ৰ লগত এই ভাষাগোষ্ঠীৰ

সম্বন্ধ দেখুৱাব খোজে। কিন্তু হৰপ্পা আৰু মহেঞ্জোদাৰোত আৱিষ্কৃত হোৱা ধ্বংসাৱশেষে দ্ৰাবিড়সকলৰ অতীত সম্পৰ্কে নতুনকৈ আলোকপাত কৰিলে। দ্ৰাবিড়সকলেই যে ভাৰতত নাগৰিক সভ্যতাৰ সৃষ্টি কৰিলে সেয়া হৰপ্পা, মহেঞ্জোদাৰোত আৱিষ্কৃত ধ্বংসাৱশেষে প্ৰমাণ কৰিছে। প্ৰথম অৱস্থাত উত্তৰত প্ৰভাৱ বিস্তাৰ কৰা দ্ৰাবিড়সকলে পিছত অহা আৰ্যসকলৰ দ্বাৰা বিতাড়িত হৈ দক্ষিণ ভাৰতত থিতাপি লয়।

দ্ৰাবিড়সকল ভাৰতলৈ কেতিয়া, ক'ৰ পৰা আহিছিল সেই সম্পৰ্কে ভিন্ন মত আগবঢ়োৱা দেখা যায়। সুনীতি কুমাৰ চট্টোপাধ্যায়ে ভূমধ্যসাগৰীয় অঞ্চলৰ পৰা দ্ৰাবিড়সকল ভাৰতলৈ অহাৰ প্ৰমাণ দেখুৱাইছে। তেওঁৰ মতে পূব ভূমধ্যসাগৰীয় অঞ্চলৰ লীছিয়াৰ লোকসকলে নিজকে 'তৃম্মিলি' (Tammili) বুলি পৰিচয় দিছিল। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ গ্ৰীক্-ঐতিহাসিক হিৰোডোটাছে এই নাম 'তের্মিলাই' (Termilai) বুলি লিখিছিল। পূব ভূমধ্যসাগৰৰ অঞ্চলৰ পৰা অহা আদিম দ্ৰাবিড়সকলে এই নামো তেওঁলোকৰ লগতে ভাৰতলৈ লৈ আনে আৰু পৰৱৰ্তীকালত এই নামৰ পৰাই সংস্কৃতত দ্ৰমিল, দ্ৰবিড় বা দ্ৰাবিড় নামৰ উৎপত্তি হয়।

আনুমানিক খ্ৰীষ্টপূৰ্ব তিনি হাজাৰ মান বছৰৰ পূৰ্বতে পূব ভূমধ্যসাগৰীয় অঞ্চলৰ পৰা ইৰাক-ইৰাণৰ মাজেদি দ্ৰাবিড়সকল আহি বেলুছিস্থান, পঞ্জাব, সিন্ধু আদিত উপস্থিত হয়। তাৰ পিছত আৰ্যসকলৰ আগমনৰ ফলত উত্তৰ-পশ্চিম ভাৰতৰ পৰা বিতাড়িত হৈ বিন্ধ্য পৰ্বতৰ দক্ষিণত আশ্ৰয় লয়।

দ্ৰাৱিড়সকল অষ্ট্ৰিকসকলতকৈ বহু উন্নত আছিল। বিবিধ কৃষি-কৰ্ম, পশু-পালন, ধাতুনিৰ্মিত অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ, সুন্দৰ নগৰ, দূৰ্গ, নাও আদি নিৰ্মাণ কাৰ্যৰ দ্বাৰা দ্ৰাবিড়সকলৰ সভ্যতাৰ স্পষ্ট চানেকী দাঙি ধৰিছে।

দ্ৰাবিড়ী ভাষাসমূহক তিনিটা প্ৰধান শাখাত ভাগ কৰিব পাৰি— ক) দ্ৰাবিড় শাখা, খ) অন্ধ্ৰ বা আন্ধ্ৰ শাখা আৰু গ) উত্তৰ-পশ্চিম শাখা।

➢ *দ্ৰাবিড় শাখা ঃ*

- তামিল (Tamil) ঃ দ্ৰাবিড় ভাষাৰ প্ৰাচীনতম নিদৰ্শন তামিল ভাষাত পোৱা যায়। এই ভাষাৰ সাহিত্যিক ঐতিহ্য প্ৰায় দুহেজাৰ বছৰ পুৰণি। মূল দ্ৰাবিড় ভাষাৰ পৰা এই ভাষা কেতিয়া সুকীয়া ৰূপত গঢ় লৈ বিকশিত হয় তাৰ সুনিৰ্দিষ্ট প্ৰমাণ পোৱা নাযায় যদিও এই ভাষাত মূল-দ্ৰাবিড়ৰ বহু বৈশিষ্ট্য ৰক্ষিত হৈছে। ভাৰতৰ দক্ষিণ অঞ্চল আৰু শ্ৰীলংকাৰ উত্তৰাংশতো তামিল ভাষাৰ প্ৰচলন আছে। বৰ্তমান ভাৰত চৰকাৰে তামিল ভাষাক 'শাস্ত্ৰীয় ভাষা' (Classical Language)-ৰ মৰ্যাদা দিছে।
- মালয়ালম (Malayalam) ঃ তামিল ভাষাৰ পিছতে দ্ৰাবিড় শাখাৰ উল্লেখযোগ্য ভাষা হ'ল মালয়ালম। এই ভাষা ভাৰতৰ কেৰল প্ৰদেশত ঘাইকৈ প্ৰচলিত যদিও লাক্ষাদ্বীপতো ইয়াৰ প্ৰচলন আছে। প্ৰাচীন তামিল ভাষা কেৰল পৰ্যন্ত

বিয়পি আছিল। কালক্ৰমত সেই প্ৰদেশত সুকীয়া বৈশিষ্ট্যৰে মালয়ালম ভাষা গঢ়ি উঠে। চতুৰ্দশ শতিকাৰ পৰা এই ভাষাৰ সাহিত্যিক প্ৰবাহ আৰম্ভ হয়। মালয়ালম ভাষাৰ তিনিটা ৰূপ দেখা যায়— এটা সংস্কৃত ভাষাৰ ব্যাপক প্ৰভাৱ পৰা মালয়ালম ভাষা; এটা বিশুদ্ধ মালয়ালম ভাষা আৰু তামিল প্ৰভাৱিত মালয়ালম ভাষা। ত্ৰয়োদশ শতিকাৰ অন্তিম ভাগত ৰচিত ৰামায়ণমূলক সাহিত্যৰ মাজত মালয়ালমৰ প্ৰাচীন নিদৰ্শন পোৱা যায়।


- কাণাড়া (কন্নড়) (Kannara) ঃ দ্ৰাবিড় শাখাৰ আন এটা উল্লেখযোগ্য ভাষা হ'ল কাণাড়া বা কন্নড় ভাষা। এই ভাষা দাক্ষিণাত্যৰ পশ্চিম-দক্ষিণ অঞ্চল আৰু মহিশুৰত প্ৰচলিত। এই ভাষা প্ৰাচীন নিদৰ্শন খ্ৰীষ্টিয় পঞ্চম শতিকাৰ প্ৰাচীন শিলালিপিৰ মাজত পোৱা যায়। নৱম শতিকাৰ মাজভাগত ৰচিত 'কবিৰাজ মাৰ্গ' এই ভাষাৰ প্ৰাচীনতম পুথি। কন্নড় ভাষাত মালয়ালমৰ দৰে সংস্কৃত ভাষাৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

  দ্ৰাবিড় শাখাৰ অন্যান্য ভাষাসমূহ হৈছে— টুলু, টোডা, কোডা, কুই, কুঁৰুখ বা ওৰাওঁ, গোণ্ডী আদি। টুলু কাণাড়ী ভাষাৰ এটা উপভাষা। পিছলৈ ই নিজস্ব বৈশিষ্ট্যৰে আত্মপ্ৰকাশ কৰে। 'কোড়গু' কূৰ্গ অঞ্চলৰ ভাষা। নীলগিৰি পাৰ্বত্য অঞ্চলৰ বড়্গ, টোডা, কোডা উপজাতিৰ মাজত প্ৰচলিত ভাষাকেইটা ক্ৰমে বডগ, টোডা, কোডা। এই তিনিওটাক একেলগে 'নীলগিৰি উপভাষা' বুলিও কোৱা হয়।

- *অন্ধ্ৰ শাখা ঃ* অন্ধ্ৰ শাখাৰ প্ৰধান ভাষা দুটা হ'ল— তেলুগু আৰু কোলাম ভাষা।
  - তেলুগু (Telugu) ঃ তেলুগু অন্ধ্ৰ শাখাৰ সৰ্বশ্ৰেষ্ঠ ভাষা। দ্ৰাবিড় গোষ্ঠীৰ ভাষাৰ ভিতৰত এই ভাষা কওঁতাৰ সংখ্যাই সৰ্বাধিক। ই প্ৰধানভাৱে অন্ধ্ৰপ্ৰদেশৰ ভাষা যদিও মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আদি অঞ্চলতো ইয়াৰ প্ৰচলন আছে। এই ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা হয় সপ্তম শতিকাৰ শিলালিপিৰ মাজত। কিন্তু সাহিত্যৰ নিদৰ্শন একাদশ শতিকাৰ পৰাহে পোৱা যায়। একাদশ শতিকাৰ আদিভাগৰ সুপ্ৰসিদ্ধ কবি নন্নয় ভট্টই *মহাভাৰতৰ* কেইটামান পৰ্ব অনুবাদ কৰে আৰু সেই অনুবাদেই তেলুগু সাহিত্যৰ প্ৰাচীন পুথি। প্ৰাচীন তেলুগুত সংস্কৃতৰ প্ৰভাৱ গভীৰ। সাহিত্যিক কীৰ্তিৰ ক্ষেত্ৰত তামিলৰ পিছতে এই ভাষাৰ স্থান।
  - কোলামী (Kolami) ঃ অন্ধ্ৰ শাখাৰ আন এটা ভাষা কোলামী বেৰাৰ অঞ্চলত প্ৰচলিত। আৰ্যভাষাৰ অন্তৰ্গত ভীলিৰ প্ৰভাৱত এই ভাষা ক্ৰমান্বয়ে মৃত্যুমুখত পতিত হোৱাৰ উপক্ৰম ঘটিছে।
- *উত্তৰ-পশ্চিম শাখা ঃ* এই শাখাৰ ভাষাৰ ভিতৰত ব্ৰাহুই ভাষা প্ৰধান। পাকিস্তানৰ অন্তৰ্গত বেলুছিস্তানত এই ভাষা প্ৰচলিত। বৰ্তমান এই ভাষাৰ ওপৰত ইৰাণী পাস্তু

আৰু বেলুচি ভাষাৰ প্ৰভাৱ বিদ্যমান। এই ভাষা কওঁতাৰ সংখ্যা প্ৰায় তিনি লাখ।

**চিত্ৰ ২.৪ — দ্ৰাবিড় ভাষাগোষ্ঠী ভাষাসমূহৰ পাৰম্পৰিক সম্বন্ধ**






**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** মোন ভাষা আৰু খোমেৰ ভাষাৰ আদি নিদৰ্শন ক'ত পোৱা গৈছে?

..............................................................................................

..............................................................................................

**প্ৰশ্ন নং ৪ ঃ** দ্ৰাবিড়ী ভাষাসমূহক কেইটা আৰু কি কি প্ৰধান শাখাত ভাগ কৰিব পাৰি?

..............................................................................................

## ২.৩.৬ ইউৰাল-আলটাই ভাষাগোষ্ঠী


'ইউৰাল-আল্‌টাই' পৃথিৱীৰ অন্যতম এক প্ৰধান ভাষাগোষ্ঠী। ইউৰোপীয় লেপলেণ্ড, ফিনলেণ্ড, এস্তোনিয়াৰ পৰা হাংগেৰী, বলকান উপদ্বীপৰ ইউৰোপ অংশৰ টুৰস্কৰ পৰা উত্তৰ আৰু মধ্য এছিয়া পৰ্যন্ত এক বিশাল অঞ্চল জুৰি এই ভাষাগোষ্ঠীৰ ভাষাসমূহ প্ৰচলিত আছে। অৱশ্যে ঠাই অনুপাতে এই ভাষা কোৱা লোকৰ সংখ্যা তাকৰ।

ভাষাবিদসকলৰ বহুসংখ্যকে ইউৰাল-আলটাইক দুটা ভিন্ন গোষ্ঠী বুলি ক'ব খোজে। এটা ইউৰাল বা ফিন্নো উগ্ৰীয় গোষ্ঠী আৰু আনটো আল্‌টাই বা তুৰ্কী মংগোল মাঞ্চুগোষ্ঠী। প্ৰথমটোৰ ভিতৰত ফিন্নীয়, এস্তোনীয়, লাপ্পীয়, হাংগেৰীয় আৰু ছাইবেৰীয়ৰ কিছু ভাষা অন্তৰ্গত। আনহাতে তুৰ্কী, টাৰ্টাৰ, উজবেগ মংগোল, মাঞ্চু আদি ভাষা লৈ দ্বিতীয়টো গোষ্ঠী গঠিত। শব্দগত আৰু ধ্বনিগত পাৰ্থক্যৰ ওপৰত ভিত্তি কৰিহে এই দুটা ভাগ কৰা হৈছে। কিন্তু এইটো যুক্তিসংগত হ'ব নোৱাৰে। কিয়নো ভৌগোলিক,

সামাজিক আদি কাৰণত ভাষা এটাৰ মাজত নতুন নতুন বৈশিষ্ট্য দেখা দিয়াটো আচৰিত কথা নহয়। ইউৰাল-আলটাই গোষ্ঠীৰ লোকসকল অঘৰী আছিল বাবে বিভিন্ন ঠাইলৈ প্ৰব্ৰজন কৰোতে ভিন্ন লোকৰ সংমিশ্ৰণলৈ আহিছিল। ফলত ভাষাগোষ্ঠীটোৰ ভাষাৰ মাজত বৈসাদৃশ্যই গা কৰি উঠিছিল। হাংগেৰীয় ভাষাৰ লিখিত নিদৰ্শন পোৱা গৈছে ত্ৰয়োদশ শতিকাৰ পৰা। তেনেদৰে মংগোল, তুৰ্কী আদিৰ ষোড়শ, একদশ শতিকামানৰ পৰাহে লিখিত নিদৰ্শন পোৱা গৈছে।

ইউৰাল-আলটাই ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটা— ক) ইউৰাল আৰু খ) আলটাই। ইউৰালৰ অন্তৰ্গত ভাষাসমূহক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি— ফিন্নো উগ্ৰীয় আৰু ছামোয়েদ। ফিন্নো উগ্ৰীয়ক আকৌ ফিন্নীয়, উগ্ৰীয় আৰু পেৰমাইন এই তিনিটা উপশাখাত ভাগ কৰিব পাৰি।

**চিত্ৰ ২.৫ — ইউৰাল-আলটাই ভাষাগোষ্ঠীৰ ভাষাবোৰৰ সম্পৰ্কৰ ৰেখাচিত্ৰ**




ফিন্নীয় উপশাখাৰ অন্তৰ্গত ভাষাসমূহৰ ভিতৰত ফিনলেণ্ডৰ ভাষা 'ফিন্নীয়', এস্তোনিয়াৰ ভাষা এস্তোনিয়, লিভোনিয়াৰ ভাষা লিভোনীয়, লেপ্‌লেণ্ডৰ ভাষা লাপ্পীয় আদি প্ৰধান। ইয়াৰ ভিতৰত ফিন্‌লেণ্ডৰ ভাষা 'ফিন্নীয়' বিশেষভাৱে উল্লেখযোগ্য। এই ভাষাৰ প্ৰাচীনতম সাহিত্যিক নিদৰ্শন পোৱা যায় ১৫৪৮ খ্ৰীষ্টাব্দৰ *বাইবেলৰ* অনুবাদৰ মাজত। এস্তোনিয়াৰ ভাষা 'এস্তোনীয়'ত ষোড়শ শতিকাৰ পৰা সাহিত্য চৰ্চাৰ নিদৰ্শন পোৱা যায়। 'লিভোনিয়' ভাষাৰ ঠাই ক্ৰমশঃ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত লাটভীয় ভাষাই অধিকাৰ কৰিছে।

উগ্ৰীয় উপশাখাৰ ভাষাসমূহৰ ভিতৰত ওষ্ট্যক, ভোগুল আৰু মেগিয়াৰ বা হাংগেৰীয় ভাষা প্ৰধান। আল্‌টাই শাখাক-প্ৰধানতঃ টুৰ্কী, মংগোল আৰু মঞ্চু এই তিনিটা উপশাখাত ভাগ কৰিব পাৰি। ইয়াৰ ভিতৰত তুৰ্কী উপশাখা উল্লেখযোগ্য। এই ভাষাত

উন্নত সাহিত্যৰ সৃষ্টি হৈছে।

## ২.৩.৭ ককেছীয় ভাষাগোষ্ঠী

ৰুছ-ছোভিয়েট গণতন্ত্ৰ ৰাজ্যৰ অংশ, আৰ্মেনিয়া মালভূমিৰ উত্তৰে কাস্পিয়ান আৰু কৃষ্ণ সাগৰৰ মাজত অৱস্থিত ককেছাছ পাৰ্বত্য অঞ্চলত ককেছীয়া ভাষাগোষ্ঠীৰ ভাষাসমূহ প্ৰচলিত। ককেছীয়া গোষ্ঠীৰ বিভিন্ন ভাষাৰ ভিতৰত জৰ্জীয়, লেছ্‌ঘীয় আৰু কিৰকাছীয় বিশেষভাৱে উল্লেখযোগ্য।

ককেছীয় গোষ্ঠীক প্ৰধানতঃ ককেছাছ পৰ্বতৰ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি দুটা শাখাত ভাগ কৰিছে— ক) উত্তৰ-ককেছীয় আৰু (খ) দক্ষিণ ককেছীয়।

উত্তৰ ককেছীয় শাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত কাবাৰডীয়, কিৰকাছীয়, উবিকিছ, লেছ্‌ঘীয় প্ৰধান। দক্ষিণ ককেছীয় শাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত জৰ্জিয়াৰ ভাষা জাৰ্জীয় (Georgian) প্ৰধান। সমগ্ৰ ককেছীয় গোষ্ঠীৰ ভিতৰতে এই ভাষাক সৰ্বশ্ৰেষ্ঠ বুলি ক'ব পাৰি। খ্ৰীষ্টিয় পঞ্চম শতিকাৰ পৰা এই ভাষাত সাহিত্য সৃষ্টিৰ নিদৰ্শন পোৱা যায়। আন কেইটামান উল্লেখনীয় ভাষা হ'ল— মিনগ্ৰেলীয়, লাছীছ, ছাভানীয়। মিনগ্ৰেলীয় কৃষ্ণসাগৰৰ পাৰৰ বাটুম অঞ্চলত, লাছীছ এছিয়া মাইনৰৰ আশে-পাশে আৰু ছভানীয় ককেছাছৰ দক্ষিণৰ উচ্চ পাৰ্বত্য অঞ্চলত পোৱা যায়।

## ২.৩.৮ এস্কিমো

এই ভাষাগোষ্ঠীৰ ভাষাসমূহ গ্ৰীণলেণ্ড, আলাস্কা, আলেউছিয়ান দ্বীপপুঞ্জত প্ৰচলিত। এস্কিমো ভাষাগোষ্ঠীক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে— ক) এস্কিমো আৰু খ) আলেউছীয়। এস্কিমো শাখাৰ ভাষাসমূহৰ গ্ৰীণলেণ্ডৰ পৰা আলাস্কা পৰ্যন্ত বিয়পি বেৰিং প্ৰণালী পাৰ হৈ উত্তৰ-পূব এছিয়ালৈকে সিঁচৰতি হৈ আছে। আলেউছীয় শাখাৰ ভাষাসমূহ প্ৰধানতঃ আলেউছিয়ান দ্বীপপুঞ্জত প্ৰচলিত।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** উগ্ৰীয় উপশাখাৰ ভাষাসমূহৰ ভিতৰত প্ৰধান ভাষা কেইটা কি কি?

..........................................................................................

..........................................................................................

**প্ৰশ্ন নং ৬ ঃ** ককেছীয় গোষ্ঠীক প্ৰধানতঃ কেইটা আৰু কি কি শাখাত ভাগ কৰিছে?

..........................................................................................

..........................................................................................

## ২.৪ গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা

ইতিমধ্যে আলোচনা কৰা গোষ্ঠীভুক্ত ভাষাসমূহৰ উপৰি এনে কিছুমান ভাষা আছে যিবিলাক ভাষাক কোনো ভাষা-পৰিয়ালৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব নোৱাৰি। সেই ভাষাসমূহক গোষ্ঠী বহির্ভূত ভাষা বুলি কোৱা হয়। এনে ভাষাসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় কৰাটো অতি জটিল কাম। এনে ভাষাৰ প্ৰত্যেকতে সুকীয়া ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্য বিদ্যমান। আদিম অধিবাসী আৰু অঘৰী লোকসকলৰ মাজত এই ভাষাবোৰ প্ৰচলিত। ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি এই ভাষাবোৰ আলোচনা কৰা হয়। এই সমূহ হ'ল —

- আমেৰিকাৰ আদিম ভাষাবৰ্গ
- আফ্ৰিকাৰ আদিম ভাষাবৰ্গ
- অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গ
- উত্তৰ-পূৰ সীমান্তীয় ভাষাবৰ্গ

- **আমেৰিকাৰ আদিম ভাষাবৰ্গ ঃ** ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, উত্তৰ আমেৰিকা, মধ্য-আমেৰিকা আৰু দক্ষিণ আমেৰিকাত 'আমেৰিকাৰ আদিম ভাষাবৰ্গ'ৰ ভাষা প্ৰচলিত। এই ঠাইসমূহত বাস কৰি থকা আদিম অধিবাসীসকলৰ ভাষা বাৰশমান আছে আৰু সেইবোৰৰ মাজত পাৰ্থক্য ইমানেই বেছি যে প্ৰত্যেকেই একোটা গোষ্ঠী বুলি ক'ব পাৰে। কিন্তু ইমানবোৰ বৈসাদৃশ্যৰ মাজতো সাদৃশ্য এটাই যে— এই ভাষাসমূহ বাক্যগঠনৰ দিশত পৰা সংযোগাত্মক। এই ভাষাবৰ্গক ভৌগোলিক অৱস্থানৰ ওপৰত ভিত্তি কৰি তিনিটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— কানাডা আৰু যুক্তৰাষ্ট্ৰত প্ৰচলিত ভাষা, মেক্সিকো আৰু মধ্য আমেৰিকাত প্ৰচলিত ভাষা আৰু দক্ষিণ-আমেৰিকাত প্ৰচলিত ভাষা।

  কানাডা আৰু যুক্তৰাষ্ট্ৰত প্ৰচলিত ভাষাসমূহ হ'ল আল্‌গোন-কিন্‌, হোকা, ইৰোক্‌ৱা, আঠাবাছকান, হাইডা আদি। এই ভাষাসমূহৰ প্ৰত্যেকৰে উপভাষা আছে।

  মেক্সিকো আৰু মধ্য-আমেৰিকাৰ ভাষাসমূহৰ হ'ল— কুইছুৱা, আৰাৱাক, কাৰিব, গে, টোছোন আদি। এই প্ৰত্যেকটো ভাষাৰ উপভাষা আছে।

- **আফ্ৰিকাৰ আদিম ভাষাবৰ্গ ঃ** আফ্ৰিকা মহাদেশৰ আদিম জাতিসমূহৰ মাজত অসংখ্য ভাষা প্ৰচলিত আছে আৰু এইবোৰৰ মাজত ইমানেই অসামঞ্জস্য যে এইবোৰক এটা ভাষা পৰিয়ালত অন্তৰ্ভুক্ত কৰিব নোৱাৰি। তথাপি ভাষাসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ ভিত্তিত ভাষাবোৰক তিনিটা ভাগত ভাগ কৰা হৈছে — বাণ্টু (Bantu), বুশ্‌মান (Bushman) আৰু ছুডানীয় (Sudanese)।

  - *বাণ্টু ঃ* দক্ষিণ-অফ্ৰিকাৰ এক বিশাল ভূ-খণ্ডত এই ভাষা প্ৰচলিত। ই পূৰ্ব-যোগাত্মক। ইয়াৰ অন্তৰ্গত ভাষাসমূহ হ'ল— স্বাহিলী (Swahili), ঝুলু (Zulu), কাফিৰ (Kafir), বেম্‌ৰা (Bemra), টোংগা (Tonga), গাণ্ডা (Ganda) আদি।

- *বুশ্‌মান ঃ* আফ্ৰিকাৰ দক্ষিণ-পশ্চিমত বাস কৰা বুশ্‌মান জাতিৰ মাজত এই ভাষা প্ৰচলিত। ইয়াৰ দুটা শাখা— বুশ্‌মান আৰু হোত্তেনটোট।
- *ছুডানীয় ঃ* এই শাখাৰ অন্তৰ্গত ভাষাবোৰ হ'ল মান-ফু, নগোনকে, কানুৰী, নিলোতীয়, হাউছা, বাণ্টুয় আদি। এই ভাষাসমূহৰ আকৌ কেইবাটাও উপভাষা আছে।

- **অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গ ঃ** অষ্ট্ৰেলিয়াৰ নিউগিনি, ৰাউ, টোলো, টাৰেনেট আদি দ্বীপত আৰু ছোলোমোন দ্বীপপুঞ্জৰ অঞ্চল বিশেষত এই বৰ্গৰ পাঁচশমান ভাষাৰ প্ৰচলন আছে। এই ভাষাবৰ্গৰ ভাষাসমূহক দুটা ভাগত ভাগ কৰিব পাৰিব— উত্তৰ-অষ্ট্ৰেলীয় আৰু দক্ষিণ অষ্ট্ৰেলীয়। এই ভাষাসমূহ প্ৰধানতঃ যোগাত্মক শ্ৰেণীৰ।
- **উত্তৰ-পূব সীমান্তীয় ভাষা ঃ** এছিয়াৰ উত্তৰ-পূব সীমান্তীয় অঞ্চলত কিছু সংখ্যক লোকৰ মাজত প্ৰচলিত ভাষাসমূহক উত্তৰ-পূব সীমান্তীয় ভাষা বোলে। এই ভাষাবোৰকো ভৌগোলিক অৱস্থানৰ ওপৰত ভিত্তি কৰি আলোচনা কৰা হৈছে। এই ভাষাসমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে— য়ুকাগিৰ আৰু ছুক্‌ছী। য়ুকাগিৰ অন্তৰ্গত ভাষাবোৰ উত্তৰ-পূব এছিয়াৰ সীমান্ত অঞ্চলৰ 'য়াকুট' নামৰ অঘৰী জাতিৰ মাজত প্ৰচলিত।

কোনো কোনো ভাষাতত্ত্ববিদে এইবোৰৰ উপৰি আন কেইটামান ভাষাগোষ্ঠীৰ কথা উল্লেখ কৰাৰ প্ৰসংগ ইতিমধ্যে আমি উত্থাপন কৰি আহিছোঁ। অৱশ্যে সেই ভাষাসমূহৰ মাজৰ সৰহ সংখ্যক ভাষাই বিলুপ্তপ্ৰায়। আলোচনাৰ সুবিধাৰ বাবে সেই ভাষাসমূহৰ কিছুমানক প্ৰাচীন স্তৰৰ ভাষা আৰু অন্য কিছুমানক আধুনিক স্তৰৰ ভাষা হিচাপে ভাগ কৰা হয়।

প্ৰাচীন স্তৰৰ ভাষাসমূহৰ সৰহভাগেই নদী উপত্যকাক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল। বিভিন্ন প্ৰত্নলেখ আৰু শিলালেখৰ পৰা এই ভাষাসমূহৰ অস্তিত্ব গম পোৱা যায়। এই ভাষাসমূহ হৈছে ক্ৰমে প্ৰাচীন মেচোপটেমিয়াত উদ্ভৱ হোৱা চুমেৰীয় ভাষা, সিন্ধু উপত্যকাত মহেঞ্জোদাৰো, পূব মেচোপটেমিয়াত মিটান্নি, প্ৰাচীন ইটালীত এক্ৰস্কান, প্ৰাচীন ক্ৰীট দ্বীপত মিনোয়ান ইত্যাদি।

আলোচ্য ভাষাসমূহৰ অন্তৰ্গত আধুনিক স্তৰৰ ভাষা হিচাপে আমি যি কেইটা ভাষাৰ নাম ল'ব পাৰোঁ সেই কেইটা হৈছে ক্ৰমে— জাপানী, কোৰিয়ান, আন্দামানী, ভিয়েটনামী, বাস্ক, ইত্যাদি। জাপানত জাপানী ভাষা প্ৰচলিত। এই ভাষাটো পৃথিৱীৰ ভিতৰতে এটা সমৃদ্ধিশালী ভাষা। দহ কোটিতকৈ অধিক লোকে এই ভাষা কয়। কোৰিয়ান বা কোৰীয় ভাষা কোৰিয়াত প্ৰচলিত। আন্দামান দ্বীপপুঞ্জত আন্দামানী ভাষা, ভিয়েটনামত ভিয়েটনামী, পীৰেণীজ পৰ্বতৰ পশ্চিমাংশত বাস্ক ভাষা চলে। এইখিনিতে এটা কথা উল্লেখ নকৰাকৈ নোৱাৰি যে কোনো কোনো ভাষাবিজ্ঞানীয়ে ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলৰ বুৰুশাস্কি ভাষাক গোষ্ঠী বহিৰ্ভূত ভাষাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব খোজে। পিছে স্বৰূপাৰ্থত এইটো এনেকুৱা এটা ভাষা যিটো ভাষা সম্পূৰ্ণভাৱে বিচ্ছিন্ন আৰু আন ভাষাৰ লগত সংগতিবিহীন ভাষা।

এইদৰে পৃথিৱীত বিভিন্ন বৰ্গীকৃত ভাষাৰ লগতে অবৰ্গীকৃত বা গোষ্ঠী বহিৰ্ভূত ভাষা কিছুমানৰো অস্তিত্ব আছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৭ ঃ** পৃথিৱীত পোৱা আদিম ভাষাবৰ্গৰ অন্তৰ্গত ভাষাসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি? উল্লেখ কৰক।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................


..............................................................................................

..............................................................................................



## ২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰচলিত ভাষাসমূহৰ মূলধ্বনি, শব্দ-গঠন, বাক্য-গঠনৰ মাজত থকা সাদৃশ্যৰ ওপৰত ভিত্তি কৰিয়েই পৃথিৱীৰ ভাষা-পৰিয়ালৰ পৰিকল্পনা কৰা হৈছে। একোটা ভাষা কোৱা লোকসকল বিভিন্ন কাৰণত ভিন্ন ঠাইলৈ প্ৰব্ৰজন ঘটাৰ ফলত ভাষাটোৰ মাজত ভিন্ন বৈশিষ্ট্যই গা কৰি উঠিল আৰু দেখাত ভাষাবোৰ পাৰস্পৰিক মিল নথকা ভাষা হৈ পৰিল। ইয়াৰ আধাৰতে পৃথিৱীৰ ভাষাসমূহৰ প্ৰধানতঃ আঠটা ভাষা পৰিয়ালত বিভাজন কৰি আলোচনা কৰিব পাৰি। অৱশ্যে কিছু সংখ্যক ভাষা কোনো ভাষা-পৰিয়ালৰ অন্তৰ্ভুক্ত নহয়, সেয়ে সেই ভাষাসমূহক গোষ্ঠী বা পৰিয়াল বৰ্হিভুত ভাষা হিচাপে আলোচনা কৰা হয়।
- পৃথিৱীৰ ভাষা-পৰিয়ালসমূহৰ আদিম বাসস্থান, বিভিন্ন ঠাইলৈ প্ৰব্ৰজন, বৰ্তমান সেইবোৰ ক'ত ক'ত প্ৰচলিত এই বিষয়েও অধ্যায়টিৰ পৰা জানিবলৈ পাৰিলে।



## ২.৬ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ**

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।